**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-01-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট আৰু টিয়ক বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৮৭৩ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰে। টিয়ক সমষ্টিত হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁ আজি এই সমষ্টিটোকে ধৰি মুঠ ১০০ টা সমষ্টিত ২৫ লাখ হিতাধিকাৰীৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰিছে। ৬ ফেব্ৰুৱাৰীৰ পূৰ্বে বাকী থকা ২৬ টা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিত অভিযানৰ চেক বিতৰণ সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ কয়।

আনহাতে, গোলাঘাটত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতাৰ চেক বিতৰণ কৰাৰ লগতে তেওঁ জিলাখনত ৩১৩ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰে। তেওঁ প্ৰথমে গোলাঘাটৰ নৱনিৰ্মিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত মুকলি প্ৰেক্ষাগৃহ, ৭ কোটি টকা ব্যয় সাপেক্ষ বালিজান উচ্চতৰ মাধমিক বিদ্যালয়ৰ নতুন ভৱন আৰু ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱনো মুকলি কৰে। মুখ্যমন্ত্ৰীয়ে এই কাৰ্যসূচীতে ১০৪ কোটি টকা ব্যয় সাপেক্ষ গোলাঘাট-মেৰাপানী পথ আৰু ১০৬ কোটি টকা ব্যয় সাপেক্ষ পদুমণি-ৰঙাজান পথো মুকলি কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী শৰ্মাই বিজেপি আৰু অগপৰ নিৰ্বাচনী মিত্ৰতা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয় যে পঞ্চায়ত নিৰ্বাচনকে ধৰি কেইবাটাও নিৰ্বাচনত বিজেপি আৰু অগপই  বুজাবুজিৰে প্ৰতিদ্বন্দিতা কৰিছে। তেনে ক্ষেত্ৰত দুয়োটা দলৰ মাজত বিধানসভা নিৰ্বাচনক লৈ কোনো ধৰণৰ সংঘাট নাই বুলি তেওঁ কয়। দুয়োটা দলেই বুজাবুজিৰ মাজেৰে বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিব বুলি তেওঁ কয়।

ইপিনে, কোকৰাঝাৰৰ পুৰণি বজাৰত আজি ২৪ হাজাৰ ৯৮৪ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰা হয়। বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰী আৰু জনস্বাস্থ্য কাৰিকৰী  বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই হিতাধিকাৰী মহিলাসকলৰ মাজত আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি নিশা দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত তেওঁ ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে আগমৰ সন্ধিক্ষণত আজি খনিকৰত বিজেপিৰ কৰ্মীসকলে বন্তি প্ৰজ্বলন কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ ডিব্ৰুগড়ত

অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ২৮৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই চৌহদৰ ভিতৰত বিধান সভা ভৱন, বিধায়কৰ আবাস গৃহ, প্ৰেক্ষাগৃহ আৰু বেৰেক থাকিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। মুঠ ৪৪৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বহুমুখী ক্ৰীড়া প্ৰকল্প পৰ্যায় ক্ৰমে ৰূপায়ণ কৰা হ'ব। খনিকৰ পেৰেড গ্ৰাউণ্ডত কাইলৈ দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থাকিব।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব।

শ্ৰীশ্বাহে কাইলৈ বিয়লি ধেমাজিত মিছিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সন্ধিয়াৰ ভাগলৈ তেওঁ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব।

গৃহমন্ত্ৰী অমিত শ্বাহৰ ডিব্ৰুগড় ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লৈ মন্ত্ৰী প্ৰশান্ত ফুকনে এইদৰে কয়ঃ

বাইট ঃ প্ৰশান্ত ফুকন

০০০০০০০

লখিমপুৰ জিলা কৃষি বিভাগে জিলা প্ৰশাসন তথা ৰাজহ বিভাগৰ সহযোগত কৃষক পঞ্জীয়ন কাৰ্যসূচী চলাই আছে। কৃষি বিভাগৰ আঁচনিৰ সুবিধা ল'বলৈ কাইলৈৰ ভিতৰত প্ৰতিগৰাকী কৃষকে পঞ্জীয়ন কৰাটো বাধ্যতামূলক। কৃষকসকলে পঞ্জীয়নৰ বাবে কৃষকৰ নিজৰ নামত থকা মাটিৰ জমাবন্দী প্ৰতিলিপি, আধাৰকাৰ্ড আৰু আধাৰৰ সৈতে সংযোগ হৈ থকা ম'বাইল নম্বৰৰ তথ্য দিব লাগিব। পঞ্জীয়নকৃত কৃষকসকলেহে পৰৱৰ্তী সময়ত প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, কিষাণ ক্ৰেডিট কাৰ্ড, ধান ক্ৰয় আঁচনি, সৰিয়হ ক্ৰয় আঁচনিৰ সুবিধা লাভ কৰিবলৈ যোগ্য বিবেচিত হ'ব।

০০০০০০০

ৰাজ্যৰ ঠিকাভিত্তিক শিক্ষকসকলে এতিয়াৰে পৰা শিক্ষা সেতু এপৰ জৰিয়তে ছুটিৰ বাবে আবেদন দাখিল কৰিব পাৰিব। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালক ওম প্ৰকাশে এই সন্দৰ্ভত সকলো জিলাৰ মিছন সমন্বয়কলৈ পত্ৰ প্ৰেৰণ কৰিছে। অহা ৩১ জানুৱাৰীৰ পৰা ঠিকাভিত্তিক শিক্ষকৰ লিখিত ছুটিৰ আবেদন গ্ৰাহ্য কৰা নহ'ব বুলিও মিছন সঞ্চালকগৰাকীয়ে নিৰ্দেশনাত উল্লেখ কৰিছে।

০০০০০০০

শীতৰ প্ৰতি লক্ষ্য ৰাখি দৰং জিলাৰ বিদ্যালয়সমূহত যোৱা পাঁচ জানুৱাৰীত জাৰি কৰা নিৰ্দেশনা প্ৰত্যাহাৰ কৰা হৈছে। আজি এটা নিৰ্দেশ যোগে দৰং জিলা আয়ুক্তই অহা দুই ফেব্ৰুৱাৰীৰ পৰা জিলাখনৰ সকলো চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পাঠদান পুনৰ পূৰ্বৰ নিয়ম অনুসৰি অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰিছে।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**